

# সেউজী অধ্যয়নৰ আলোকত সাম্প্ৰতিক অসমীয়া নাটক

ড° সুব্ৰতজ্যোতি নেওগ

> "Ecodrama encompasses not only works that take environmental issuess as their topic, hoping to raise consciousness or press for change, but also work that explores the beingness of the natural world in such a way that when we leave the theatre, things around us are more alive, we listen better, and we have a deeper sense of our own ecological identity."
>
> Theresa J. May, 'Greening the theatre : Taking Ecocriticism from page to stage.' (95)

সম্প্ৰতি 'সেউজী অধ্যয়ন' (Green Studies) সাৰস্বত পৰিমণ্ডলত বহুলভাৱে চৰ্চিত এটি বিষয়। 'সেউজী অধ্যয়ন'ৰ মূল উদ্দেশ্যসমূহ হৈছে প্ৰকৃতিৰ প্ৰতি মানুহক সচেতন আৰু দায়বদ্ধ কৰি তোলা; মানুহ আৰু ভৌতিক পৰিৱেশৰ মাজৰ সম্পৰ্কৰ বিচাৰ-বিশ্লেষণত গুৰুত্ব আৰোপ কৰা; প্ৰকৃতি ৰক্ষাৰ বাবে মানুহক উৎসাহিত কৰা; মানুহৰ লগতে সমস্ত জীৱকুল, হাবি-বননি, নদ-নদী আদি সকলোৰে যে গুৰুত্ব আৰু অধিকাৰ এই পৃথিৱীত সমান তাৰ নৈতিক উপলব্ধি প্ৰদান কৰা; বন্য বা বনৰীয়া (wilderness)ৰ ধাৰণা কেনেকৈ সময়ৰ লগে লগে পৰিৱৰ্তন হৈছে তাক পৰ্যবেক্ষণ কৰা আৰু পৰিৱেশকেন্দ্ৰিক সমস্যা সমাধানৰ পথ নিৰ্মাণ কৰা। 'সেউজী অধ্যয়ন'ক বহুতো সমালোচকে 'পৰিস্থিতিতান্ত্ৰিক সমালোচনা' (Ecocriticism) বুলি কয়। লৰেন্স কুপকে মুখ্য